জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com // e-paper : www.dainikjanambhumi.co.in // Dainik Janambhumi

তম বছৰ, সংখ্যা ২৯ ● বুধবাৰ ● ১৬ আহিন ১৯৪৫ শক RNI No. ASSASS/2006/16737 THE DAINIK JANAMBHUMI Tinsukia Wednesday October 4, 2023 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ প

## কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী নিৱাসৰ প্ৰথমখন আলোচনী 'প্ৰতীতি' উন্মোচন

ডিব্ৰুগড়ঃ ষ্টাফ ৰিপৰ্টাৰ, ৩ অক্টোবৰঃ 'বৰ্তমান শিক্ষা ব্যৱস্থাটো পৰীক্ষাকেন্দ্ৰিক হৈ পৰিছে। মুখস্থ বিদ্যাক অধিক অগ্ৰাধিকাৰ দিয়াৰ ফলত বিষয়বস্তুৰ জ্ঞান সীমিত হৈ পৰিছে। শিক্ষাৰ্থীসকলে বিষয়বস্তুৰ সঠিক জ্ঞান আহৰণত অধিক গুৰুত্ব দিয়া উচিত।' ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী নিৱাসৰ নৱাগত আদৰণী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ৬৬ বছৰ অতিক্ৰম কৰা ছাত্ৰী নিৱাসৰ প্ৰথমখন আলোচনী 'প্ৰতীতি' উন্মোচন কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকাই এইদৰে কয়। লালচান্দ কানৈ প্ৰেক্ষাগৃহত ২ অক্টোবৰৰ সন্ধ্যা অনুষ্ঠিত হোৱা সভাখনত ড° ডেকাই কয় যে শিক্ষা ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীসকলে তথ্য আহৰণৰ লগতে নিজৰ চৰিত্ৰ গঠন আৰু কৌশল আয়ত্ত কৰাটো অতিকৈ প্ৰয়োজনীয়। শিক্ষা, জ্ঞান আৰু প্ৰজ্ঞাৰ জৰিয়তে জীৱনটো সফল কৰি তুলিব পাৰে। শিক্ষাক জ্ঞানলৈ, জ্ঞানক প্ৰজ্ঞালৈ ৰূপান্তৰিত কৰিব পাৰিলেহে জীৱনে পূৰ্ণতা লাভ কৰে। এটা ছাত্ৰী নিৱাসত শিক্ষা, অভিজ্ঞতা, দক্ষতা আহৰণৰ যথেষ্ট সুযোগ থকা বুলি তেওঁ উল্লেখ কৰে। কানৈ ছাত্ৰী নিৱাসৰ পৰা প্ৰকাশ পোৱা প্ৰথমখন আলোচনী উন্মোচন কৰিবলৈ তেওঁক নিমন্ত্ৰণ কৰি এই সুযোগ প্ৰদান কৰাৰ বাবে ছাত্ৰীনিৱাসৰ আৱাসীসকলক কৃতজ্ঞতা জনোৱাৰ লগতে ভূয়সী প্ৰশংসা কৰি 'প্ৰতীতি' আলোচনীখনে ভৱিষ্যতে ছাত্ৰীসকলৰ উদ্ভাৱনী শক্তি বৃদ্ধিত অৰিহণা যোগাব বুলিও তেওঁ কয়। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানত ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰী, অসম চৰকাৰৰ যুৱ আয়োগৰ সদস্য ডাঃ ভাস্কৰ পাপুকণ গগৈ, অসম মেডিকেল কলেজৰ মেডিচিন বিভাগৰ সহযোগী অধ্যাপক ডাঃ এছ এম বৰুৱা, কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱা, ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন চাংমাই, সমাজকৰ্মী মিঠুন দেৱ নাথকে ধৰি বহুকেইগৰাকী অধ্যাপক-অধ্যাপিকাই নৱাগতসকলক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু মহাপুৰুষ শ্ৰীমন্তশংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকা, ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীকে ধৰি অতিথিসকলক মহাবিদ্যালয়ৰ মুখ্যদ্বাৰত আৰতিৰে শ্ৰদ্ধা জনোৱাৰ লগতে মুখ্যদ্বাৰৰ পৰা সভাগৃহলৈকে গায়ন-বায়ন, এন চি চিৰ কেডেটে আদৰি আনে। একে দিনাই ছাত্ৰ একতা উদ্যোগত নিৰ্মাণ হোৱা গ্লবৰ্ড আৰু ফাউণ্টেইন 'আই লভ ডি এইচ এছ কে কলেজ' উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। অনুষ্ঠানত ছাত্ৰ একতা সভাৰ সভাপতি পাৰ্থ প্ৰতিম গোহাঁই, সাধাৰণ সম্পাদক দিৰাজ বৰুৱাকে ধৰি ছাত্ৰ একতা সভাৰ ভালেকেইজন বিষয়ববীয়া উপস্থিত থাকে।

সোণেশ্বৰ দি
বাৰ্ধক্যজনিত কা
প্ৰায় ১২-৩০ বজ
মৃত্যু হয়। তে
বোৱাৰী, নাতি-
পৰিয়ালক এৰি
মৃত্যুত শ্ৰীশ্ৰী অনি
পৰিচালনা স
নৱজাগৃতি যুৱ
ব্যক্তিয়ে গভীৰ
শোকসন্তপ্ত পৰিয়
জ্ঞাপন কৰিছে।

তিনিচু

এগৰাকী

মানৱত